সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

২৮ বছৰ, ৪৩ সংখ্যা, ৫ কাতি, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 43 Date Of Publication -23 October 2022 Rs.10.00/-




## সম্পাদকীয়ঃ

## সেউজ দীপাৱলী

স্বাগতা বৰুৱা গোস্বামী



পোহৰৰ উৎসৱ দীপাৱলী। ঘোৰ অমাৱস্যাৰ নিশা চাৰিওফালে এন্ধাৰ বিনাষি পোহৰ কৰা হয় ধনীৰ পৰা দুখীয়ালৈকে সকলোৰে পদূলি। লোক বিশ্বাস অনুসৰি ৰামে চৈধ্য বছৰ বনবাসৰ অন্তত ৰাৱণক বধ কৰি যেতিয়া অযোধ্যালৈ উভতি আহিছিল তেতিয়া ৰাম আৰু সীতাক অযোধ্যাৰ প্ৰজাগণে নিজৰ নিজৰ ঘৰৰ পদূলিয়ে পদূলিয়ে চাকি জ্বলাই তেওঁলোকক উষ্ম আদৰণি জনাই অযোধ্যা নগৰী উৎসৱমুখৰ কৰি তুলিছিল। তেতিয়াৰ পৰাই দীপাৱলী উৎসৱৰ আৰম্ভণি হৈছিল। এই আদৰণি আছিল সেউজ আদৰণি। এই আদৰণিত কোনো ব'ম ফটকা নাছিল। কিন্তু বৰ্তমানৰ দীপাৱলী আধুনিক দীপাৱলী। এই দীপাৱলীত আছে চকু চাত মৰা LED light, ব'ম আৰু ফটকাৰ শব্দ আৰু ধোৱাৰ ফলত সৃষ্টি হোৱা বায়ু, মাটি, পানী সকলোতে বিয়পি পৰা প্ৰদূষণ। এতিয়া সময় দীপাৱলীৰ দিনা উদ্ভৱ হোৱা প্ৰদূষণৰ পৰা আমাৰ বায়ুমণ্ডলক ৰক্ষা কৰা। আমি যদি সকলোৱে সেউজ দীপাৱলী উদযাপন কৰাৰ সংকল্প লওঁ সেইদিনা হোৱা বহুখিনি প্ৰদূষণৰ পৰা আমি পৰিত্ৰাণ পাম। তাৰোপৰি আমি সকলোৱে আমাৰ মৃন্ময় শিল্পৰ ওপৰত গুৰুত্ব দিয়াটো আমাৰ জানো এটা কৰ্তব্য নহয়। আমি যদি দীপাৱলী বুলি লাইট ব্যৱহাৰৰ ঠাইত চাকি জ্বলাও তেতিয়া আমি অবাবত খৰচ হোৱা বিদ্যুত খিনিও ৰাহি হ'ব তাৰোপৰি দীপাৱলীৰ দিনা চাকি জ্বলোৱাৰ বহু তাৎপৰ্য আছে যিটো বৈদ্যুতিক লাইটৰ ক্ষেত্ৰত দেখা পোৱা নাযায়। সকলোতকৈ ডাঙৰ কথা হ'ল দীপাৱলীৰ নামত আমাৰ নিচিনা এখন দেশত কোটি কোটি টকাৰ শৰাধ কৰাৰ কিবা জানো প্ৰয়োজন আছে? গতিকে এইবাৰ সকলোৱে সেউজ দীপাৱলী উদযাপন কৰোঁচোন আহক।



# কেদাৰনাথত তীৰ্থযাত্ৰীক কঢ়িয়াই নিয়া হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত

ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰাখণ্ডৰ কেদাৰনাথৰ ওচৰত তীৰ্থযাত্ৰীক কঢ়িয়াই নিয়া এখন হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত এজন পাইলটসহ ৬ জন লোক নিহত হৈছে। সূত্ৰই জনোৱা মতে, এজন পাইলটকে ধৰি মুঠ সাতজন লোক হেলিকপ্টাৰখনত আছিল। আৰ্যন এভিয়েচন প্ৰাইভেট লিমিটেডৰ মালিকানাধীন হেলিকপ্টাৰখন কেদাৰনাথৰ পৰা উৰণৰ ঠিক



পিছতে গাৰু চাট্টিৰ ওচৰত দুৰ্ঘটনাগ্ৰস্ত হৈছিল। সম্ভৱত বেয়া বতৰৰ বাবে দুৰ্ঘটনাটো সংঘটিত হৈছিল। এতিয়ালৈকে ছয়টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু উদ্ধাৰ অভিযান চলি আছে।

# ড° নবীন চন্দ্ৰ শৰ্মাৰ মৃত্যুত অসম প্ৰকাশন পৰিষদৰ শোক



ৰঙিলী বাৰ্ত্তাসেৱা- লোক-সংস্কৃতিৰ গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, অসম প্ৰকাশন পৰিষদৰ জীৱনজোৰা সাধনা বঁটা প্ৰাপক, অসম সাহিত্য সভাৰ "সদস্য মহীয়ান" ড° নবীনচন্দ্ৰ শৰ্মাৰ মৃত্যুত অসম প্ৰকাশন পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সাহিত্যিক গৰাকীৰ মৃত্যু আমাৰ সমাজ জীৱনৰ বিস্তৰ ক্ষতি বুলি উল্লেখ কৰে। সচিব কলিতাই প্ৰয়াত সাহিত্যিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# ড° নবীন চন্দ্ৰ শৰ্মাৰ মৃত্যুত অসম সাহিত্য সভাৰ শোক প্ৰকাশ



ৰঙিলী বাৰ্ত্তাসেৱা- লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক-পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, অসম প্ৰকাশন পৰিষদৰ জীৱনজোৰা সাধনা বঁটা প্ৰাপক, অসম সাহিত্য সভাৰ "সদস্য মহীয়ান" ড° নবীনচন্দ্ৰ শৰ্মাৰ মৃত্যুত অসম সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই বিশিষ্ট সাহিত্যিকগৰাকীৰ মৃত্যু কেবল বিদ্যায়তনিক ক্ষেত্ৰখনৰেই নহয় সমগ্ৰ সমাজ জীৱনৰো বিস্তৰ ক্ষতি বুলি অভিহিত কৰে। সভাৰ সভাপতি-প্ৰধান সম্পাদকে প্ৰয়াত সাহিত্যিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সাহিত্যিক গৰাকীৰ প্ৰতিশ্ৰদ্ধা জনাই সভাৰ যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ লগতে আটাইকেউটা কাৰ্যালয়তে দিনটোৰ বাবে পতাকা অৰ্ধনমন কৰিবৰ কাৰণে সভাই আহ্বান জনাইছে।

# মাজুলীত চিকিৎসাৰ অভাৱত পুনৰ এজন যুৱকৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীৰ কণমানি তেজস্বিতা বৰুৱাৰ মৃত্যুৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এইবাৰ মাজুলীত পুনৰ সংঘটিত হৈছে আন এক দুখজনক ঘটনা। মাজুলীত চিকিৎসাৰ অভাৱত পুনৰ এজনৰ মৃত্যুৰ অভিযোগ। উপযুক্ত চিকিৎসা লাভ নকৰাৰ বাবেই কৰুণ মৃত্যুক আকোঁৱালি ল'লে আন এজন যুৱকে। এই ঘটনাই পুনৰ নদীদ্বীপ মাজুলীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গড়মূৰ পিতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত হৈছে এই ঘটনা। মাজুলীৰ আদিত্য পায়েং নামৰ যুৱকজনৰ চিভিল হাস্পাতালখনত উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু। ঘটনা সন্দৰ্ভত স্থানীয় লোকৰ পৰা জানিব পৰা অনুসৰি অসুস্থ আদিত্যক চিকিৎসালয়ত ভৰ্তি হোৱাৰ পিছতেই ২টা বেজী দিয়ে। বেজী দিয়াৰ পিছতেই বেছি অসুস্থ হৈ পৰে আদিত্য। ততাতৈয়াকৈ আদিত্য পায়েঙক আই চি ইউত ভৰ্তি কৰে। কিন্তু চিকিৎসালয়ৰ আই চি ইউত সময়মতে উপস্থিত নাছিল টেকনেচিয়ান। আই চি ইউ টেকনিচিয়ানৰ অভাৱৰ বাবেই আদিত্য পায়েঙে মৃত্যুক সাৱটি লোৱাৰ অভিযোগ উত্থাপিত হৈছে। ১০৮ মৃত্যুঞ্জয় সেৱাৰ বিৰুদ্ধেও অভিযোগ পৰিয়ালৰ। বহুবাৰ ফোন কৰাৰ পাছতো অহা নাছিল এম্বুলেন্স। পুত্ৰক অকালতে হেৰুৱাই ভাগি পৰিছে আদিত্য পায়েঙৰ পিতৃ, পৰিয়াল। ইফালে পুত্ৰ শোকত ভাগি পৰা পিতৃয়ে কয় যে, 'মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ মোৰ এটাই অনুৰোধ, মোৰ দৰে মাজুলীৰ ৰাইজৰ আৰু বুকু উদং নকৰিব।' উল্লেখযোগ্য যে, ৰাজ্য কপাই যোৱা তেজস্বীতা বৰুৱাৰ মৃত্যুৰ ঘটনাৰ পিছতো শিক্ষা নোলোৱা মাজুলীৰ এই শ্ৰী শ্ৰী পিতাম্বৰ দেৱ গোস্বামী ৰাজিক চিকিৎসালয় কৰ্তৃপক্ষৰ এনে গাফিলতি আৰু কিমান দিনলৈ চলিব তাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# পুনৰ চৰ্চালৈ আহিছে ভিক্টৰ দাস

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ চতুৰ্থ বৰ্গৰ চাকৰিৰ লিখিত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতে পুনৰ চৰ্চালৈ আহিছে ভিক্টৰ দাস। ভিক্টৰ দাসৰ ইনষ্টিটিউটৰ পৰা প্ৰায় ১০০০ ছাত্ৰ- ছাত্ৰী চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষাত উত্তীৰ্ণ হৈছে। যাক লৈ এতিয়া ভিক্টৰ দাসে আনন্দ প্ৰকাশ কৰিছে। এনে সাফল্যৰ পাছত ভিক্টৰে চচিয়েল মিডিয়াত প্ৰকাশ কৰিছে অনুভৱ। সাংবাদিকৰ সন্মুখত ভিক্টৰে প্ৰকাশ কৰিলে প্ৰতিক্ৰিয়া। ভিক্টৰ দাসে কয় যে, "বাবু মই জেনুইন। মোৰ কোনো ছাত্ৰ-ছাত্ৰী পাছ নকৰে বুলি কৈছিল। কিন্তু মোৰ প্ৰায় ১০০০ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ল লিখিত পৰীক্ষাত।" উল্লেখযোগ্য যে, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ নামত ধনৰ লেনদেন হোৱাৰ অভিযোগ তুলি গ্ৰেপ্তাৰ হৈছিল ভিক্টৰ দাস। অৱশ্যে পিছত ভিক্টৰ দাসে জামিনত মুক্তি পাইছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰাৰ পাছতে প্ৰধান শিক্ষকৰ প্ৰতিবেদনৰ ভিত্তিত জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ নিৰ্দেশত ভিক্টৰ দাসক নিলম্বন কৰা হয়। ভিক্টৰ দাসে ২০২১ বৰ্ষত পূব পানীটেমা ৰাধা কৃষ্ণ যুগল মিলন এল পি স্কুলত এগৰাকী টেট উত্তীৰ্ণ শিক্ষক হিচাপে যোগদান কৰিছিল। ভিক্টৰ দাসে চৰকাৰী চাকৰি কৰাৰ উপৰিও ক'চিং চেণ্টাৰ এটা কোচিং চেণ্টাৰ চলাই আহিছিল। জামিন লাভ কৰাৰ পিছতে ভিক্টৰে পুনৰ আৰম্ভ কৰিছিল ছাত্ৰ-ছাত্ৰীক পাঠদানৰ কাম।




# কংগ্ৰেছৰ নতুন ৰাষ্ট্ৰীয় সভাপতি হিচাপে মল্লিকাৰ্জুন খাৰ্গে নিৰ্বাচিত

ৰঙিলী বাৰ্ত্তাসেৱা- নতুন ৰাষ্ট্ৰীয় সভাপতি হিচাপে মল্লিকাৰ্জুন খাৰ্গে নিৰ্বাচিত। মল্লিকাৰ্জুন খাৰ্গেই লাভ কৰিছে ৭৮৯৭ টা ভোট লাভ কৰাৰ বিপৰীতে শশী থাৰুৰে ১০০০টা ভোট লাভ কৰে। মুঠ ৪১৬টা ভোট অবৈধ ঘোষণা কৰা হয়। কংগ্ৰেছৰ সভাপতি পদৰ প্ৰাৰ্থী শশী থাৰুৰে কংগ্ৰেছৰ নৱনিৰ্বাচিত সভাপতি মল্লিকাৰ্জুন খাৰ্গেক অভিনন্দন জনাই এক বিবৃতি



জাৰি কৰিছে। তেওঁ কয় যে 'মই ভাবো আমাৰ দলৰ পুনৰুদ্ধাৰ বাস্তৱত আজি আৰম্ভ হৈছে।' মল্লিকাৰ্জুন খাৰ্গে কংগ্ৰেছৰ নতুন সভাপতি নিৰ্বাচিত হোৱাৰ পিছতে কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আনন্দ উৎসৱ পালন কৰিছে। দিল্লীৰ এআইচিচি কাৰ্যালয়ৰ বাহিৰত দেখা গৈছে কংগ্ৰেছ কৰ্মীৰ আনন্দ উৎসৱ। ২৩ অক্টোবৰত তেওঁ দায়িত্ব লোৱাৰ সম্ভাৱনা আছে। দুটা দশকৰো অধিক সময়ৰ ভিতৰত প্ৰথমবাৰৰ বাবে কংগ্ৰেছে পাব এজন অগান্ধী ৰাষ্ট্ৰপতি। কংগ্ৰেছ নেতা শশী থাৰুৰে নতুন দিল্লীৰ বাসভৱনত সাক্ষাৎ কৰিলে নৱনিৰ্বাচিত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক।

# ৭০০ টকা উৎকোচ লৈ দুৰ্নীতি নিবাৰকৰ জালত জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ কনিষ্ঠ সহায়ক

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত অব্যাহত আছে দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে অভিযান। পুনৰ উৎকোচ লৈ দুৰ্নীতি নিবাৰকৰ জালত চৰকাৰী বিষয়া। ৭০০ টকা উৎকোচ লৈ দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিল ডিব্ৰুগড় জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ পৰিবহন বিষয়াৰ কাৰ্যালয়ৰ কনিষ্ঠ সহায়ক। ৭০০ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ কনিষ্ঠ সহায়ক দিতিমণি গগৈ। লগতে পংকজ শইকীয়া নামৰ এজন দালালকো গ্ৰেপ্তাৰ। ইফালে দুৰ্নীতি নিবাৰকৰ জালত পৰাৰ পাছত ডিটিমণি গগৈয়ে নিজকে নিৰ্দোষী আখ্যা দি সাংবাদিকৰ আগত কয় যে, 'ফচাইছে মোক, মই একো কৰা নাই। লাভ নাই, মই কাম কৰা মানুহ। নন ষ্টপ কাম কৰি আছিলো।'

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনত আধিপত্য বিস্তাৰ কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। সভাপতি আৰু সাধাৰণ সম্পাদকৰ দৰে দুয়োটা গুৰুত্বপূৰ্ণ পদত আছু সমৰ্থিত প্ৰাৰ্থী জয়ী হৈছে। সভাপতিৰ পদত কাশ্যপ কল্যাণ গগৈয়ে ১২০৫টা ভোট আৰু সাধাৰণ সম্পাদকৰ পদত পুণ্যব্ৰত দত্তই ১১৫৩টা ভোট লাভ কৰি জয়ী হৈছে। তদুপৰি উপ-সভাপতি, লঘু ক্ৰীড়া, ছাত্ৰী জিৰণি কোঠা আদি কেইবাটাও পদত আছুৰ প্ৰাৰ্থীয়ে শেষ হাঁহি মাৰিবলৈ সক্ষম হৈছে। উপ-সভাপতি নিৰঞ্জন বৰাই ১২২২টা ভোট লাভ কৰে। লঘু ক্ৰীড়া বিভাগতো আছুৰ মঞ্জিল শইকীয়াই ১২০৭টা ভোট, ছাত্ৰী জিৰণি কোঠাৰ বিভাগত মৌচুমী ওজাই ৮৩৪টা ভোট লাভ কৰি জয়ী হয়। ইফালে সহকাৰী সাধাৰণ সম্পাদক, সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক পদত জয়ী হয় এ বি ভি পি সমৰ্থিত প্ৰাৰ্থী। সহকাৰী সাধাৰণ সম্পাদক পদত দলবীৰ সিঙে ৮৬২টা ভোট লাভ কৰি আৰু সাহিত্য আৰু সুকুমাৰ কলা বিভাগত সৌৰভ দেউৰীয়ে ১১৮২টা ভোট লাভ কৰি নিৰ্বাচিত হয়। তৰ্ক বিভাগত দুৰ্ৰ্বী কাশ্যপ, গুৰু ক্ৰীড়া বিভাগত বিশ্বজিৎ দৈমাৰী আৰু ক্ৰীড়া সম্পাদক হিচাপে হাবেল বড়ো জয়ী হৈছে। ইফালে সমাজ সেৱা সম্পাদক হিচাপে অসম ছাত্ৰ পৰিষদৰ ফজাইল আহমেদ জয়ী হৈছে। আনহাতে এন এছ ইউ আইৰ প্ৰাৰ্থী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনত জয়ী হ'ব নোৱাৰাটোৱে তাৎপৰ্য বহন কৰিছে।

# কছাৰীহাট শাখা সাহিত্য সভাৰ উদ্যোগত অহা ২৩ অক্টোবৰত উন্মোচন হব "মহাশয়"

ৰঙিলী বাৰ্ত্তাসেৱা- "মহাশয়" শব্দটো সমাজৰ সন্মানীয় ব্যক্তি, বিশেষকৈ শিক্ষাগুৰু সকলক কৰা এক শ্ৰদ্ধা-ভক্তিৰ সুন্দৰ সম্বোধন আছিল। কালক্ৰমত এনে এটা মান্য শব্দৰ ব্যৱহাৰকমি আহি আমাৰ মুখৰপৰা হেৰাই যোৱাৰ উপক্ৰম হ'ল। এদিন হয়তো মানুহ গঢ়াৰ খনিকৰ সেই মহান মহাশয় সকলৰ মৃত্যুৰ পাছত তেখেতসকলৰ জীৱন চৰ্যাৰ প্ৰেৰণাদায়ক কাহিনীবোৰো বিস্মৃতিৰ গৰ্ভত হেৰাই যাব। তেনে কিছু স্মৃতি আৰু কাহিনী ধৰি ৰখাৰ মানসেৰে শিক্ষাবিদ শ্ৰীগুনেন বৰাদেৱে, প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম "মহাশয়" তথা প্ৰাতঃস্মৰণীয় শিক্ষাগুৰু হীৰেশ্বৰ গগৈদেৱৰ স্মৰণেৰে আৰম্ভ কৰি তেখেতৰ হাইস্কুলীয়া শিক্ষা জীৱনলৈকে লগপোৱা শিক্ষাগুৰু সকলৰ সান্নিধ্যৰ মধুৰ সোঁৱৰণীৰে লিপিবদ্ধ কৰি লিখি উলিয়াইছে- "মহাশয়"। সাহিত্য -সংস্কৃতি তথা আধ্যাত্মিক সমাজখনৰ লগত ওতপ্ৰোতভাৱে জড়িত বৰাদেৱ অসমীয়া ভাষাটোৰ প্ৰতি দায়বদ্ধতাৰে লিখামেলা কৰি সেৱা-চৰ্চা আগবঢ়াই আহিছে। "মহাশয়"ৰ বুকুত সামৰি লোৱা




আজীৱন শিক্ষাব্ৰতী কীৰ্তিমান সকলৰ স্মৃতি ধৰি ৰাখিবলৈ সক্ষম হৈছে। এনে এখন গ্ৰন্থই উন্মোচন হব গোলাঘাটৰ কছাৰীহাট জাতীয় বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অহা ২৩ অক্টোবৰ, ২০২২ তাৰিখ দেওবাৰে।

## Photography of the Week



চৈয়দা জেবীন চাবীৰা শ্বাহ, নিউয়ৰ্ক

## Beauty of the Week



ময়ূৰী ৰাজখোৱা, নগাঁও

# ভৰেশ কলিতা দল আৰু সমষ্টিৰ প্ৰতি সদায় দায়বদ্ধ

**ঋষি লহকৰ**



উল্লেখযোগ্য যে-ভৰেশ কলিতা ডাঙৰীয়াই বিশ্বৰ সৰ্ববৃহৎ দলৰ ৰাজ্যিক সভাপতিৰ দৰে গুৰু দায়িত্ব পালন কৰি যোৱাৰ লগতে তেখেতে ৰঙিয়া বিধানসভা সমষ্টিৰ জনপ্ৰিয় যুৱ বিধায়ক হিচাপে সমষ্টিবাসী ৰাইজৰ উন্নয়নৰ স্বাৰ্থত ৰাইজে দিয়া দায়িত্বও পালন কৰি গৈছে। ১৫-২৯ বছৰে বিৰোধী বিধায়কৰ শাসনকালত ৰঙিয়াবাসী ৰাইজে উন্নয়নৰ মুখ দেখা পোৱা নাছিল, কেৰল সকলো ক্ষেত্ৰতে বঞ্চিত হৈছিল। সেইবাবে যোৱা ২০১৬ বৰ্ষত পোন প্ৰথম বাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচিত বিধায়ক শ্ৰী ভবেশ কলিতা ডাঙৰীয়াক ৰঙিয়া বাসী ৰাইজে আশীৰ্বাদ প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত যোৱা ২০২১ বৰ্ষত পুনৰ বাৰ ৰঙিয়াৰ জনতাই ৰঙিয়ান বিৰামহীন উন্নয়নৰ স্বাৰ্থত বিধায়ক হিচাবে শ্ৰী ভবেশ কলিতাক ৰঙিয়াবাসী ৰাইজে মৰম আৰু আশীৰ্বাদ প্ৰদান কৰিলে। সেয়েহে বিগত ৬ বছৰত বহিয়া বিধানসভা সমষ্টিৰ ৰাইজ সৰ্বাঙ্গীন উন্নয়ন প্ৰতি লক্ষ্য ৰাখি বহু ভবিষ্যত তথ্য ঐতিহাসিক পদক্ষেপ তথা উন্নয়ন মূলক কাম কৰি গৈছে। সমষ্টিবাসী ৰাইজে যাতে কোনো ধৰণৰ সমস্যা ভূগিব লগা নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে বহু ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে। ৰঙিয়া বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী ভবেশ কলিতাৰ সৰল নেতৃত্বত বিগত ৬ বছৰত বহু উন্নয়ন মূলক কাম হৈছে। ৰঙিয়াবাসী ৰাইজৰ সহযোগ আৰু আশীৰ্বাদত প্ৰতিটো ক্ষেত্ৰতে উন্নয়নৰ আৱৰিত যাত্ৰা দ্ৰুত গতি আগবাঢ়ি গৈ আছে। আশা কৰিছোঁ আগন্তুক দিনবোৰটো বিৰামহীন উন্নয়নৰ দিশত ৰঙিয়া সমষ্টি আগবাঢ়ি গৈ অসমৰ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত এক লেখত লবলগীয়া সমষ্টি হিচাপে গঢ়ি উঠে যেন। বিধায়ক শ্ৰী ভৰেশ কলিতাৰ ডাঙৰীয়াৰ সমষ্টিৰ দ্ৰুত উন্নয়ন মূলক কাম কাজ সমূহ দেখি এতিয়া বিৰোধী দলৰ নেতা-কৰ্মী সকলে সমষ্টি উন্নয়নৰ কথা চিন্তা কৰি ভাৰতীয় জনতা পাৰ্টিত যোগদানৰ কৰি আহিছে। সেয়েহে এক কথাত কব পাৰি যে-ৰঙিয়া সমষ্টিত এতিয়া বিৰোধী শিবিৰ নৰৰ নিস্তৰ তথা শূন্য হোৱাৰ দিশে আগবাঢ়িছে ইতিমধ্যে ৰঙিয়া সমষ্টিৰ ১০ জন পঞ্চায়ত বিৰোধীৰ এজনো সদস্য জনপ্ৰতিনিধি নাই। মানে পঞ্চায়ত সমূহত এতিয়া কংগ্ৰেছ মুক্ত। বিধায়ক শ্ৰী ভৰেশ কলিতাই বিগত ৬ বছৰত ৪৮খন জৰাজীৰ্ণ বৃহৎ কাঠ দলং পকীকৰণলৈ ৰূপায়ন কৰিবলৈ সক্ষম হৈছে। যোৱা ৬ বছৰত ৰঙিয়া সমষ্টিৰ ইমূৰৰ পৰা সিমূৰ লৈ বিধায়ক ডাঙৰীয়াই ৰঙিয়াৰ বিৰামহীন উন্নয়নৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে। বিধায়ক গৰাকীয়েই জনতাৰ মাজত থাকি কাম কৰি যাবলৈ প্ৰয়াস কৰে। ৰাইজৰ প্ৰতিটো সমস্যা বিধায়ক গৰাকীয়ে যি ঠাইত থাকে সেই ঠাইতে সমাধান কৰি দিয়ে। সেইবাবে তেখেতক ৰঙিয়া বাসী ৰাইজে ক্ষমতা প্ৰকৃত সেৱক বুলি পৰিচয় দিয়ে। বিধায়ক গৰাকীয়ে ৰঙিয়া বাসী ৰাইজৰ প্ৰতিটো ক্ষণতে সহায় সহযোগিতা আগবঢ়াই যাবলৈ চেষ্টা কৰে। আশা কৰিছো ভৰেশ কলিতা ডাঙৰীয়াই ৰাইজৰ হৈ সেৱা কৰি যায় থাকিব লগতে তেখেতৰ ৰাজনৈতিক ভৱিষ্যত উজ্জ্বল হৈ থাকক তাকে ভগৱানৰ ওচৰত সৰল প্ৰাৰ্থনা জনালোঁ।

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি শ্ৰী ভবেশ কলিতা ডাঙৰীয়াই সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ৰ পৰাই প্ৰতিখন সাংগঠনিক জিলাত দলৰ সাংগঠনিক ভেঁটি অধিক মজবুত কৰি তুলিবলৈ দলীয় কাৰ্যকৰ্তা সকলক উৎসাহ যোগোৱাৰ উদ্দেশ্য মাকদৰ্শন প্ৰদান কৰি আহিছে। ৰাজ্যিক সভাপতি গৰাকীৰ বলিষ্ঠ নেতৃত্ব দলৰ সাংগঠনিক দিশত বহুখিনি দলীয় সংস্কাৰ সাধন কৰিবলৈ সক্ষম হৈছে। লগতে সভাপতি গৰাকীৰ সবল নেতৃত্বত যোৱাটো সময়ছোৱাত অনুষ্ঠিত হোৱা পাঁচটা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়েই অসমত বৃহৎ বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। তাৰো ওপৰি ৰাজ্যিক সভাপতি গৰাকীয়েই তেখেতৰ প্ৰচেষ্টাত দল আৰু চৰকাৰৰ মাজত এক সু সম্পৰ্ক স্থাপন কৰি ৰাইজৰ হৈ একেলগে কাম কৰি যোৱাৰ এক প্ৰয়াস কৰিছে। লগতে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীক নেতৃত্ব প্ৰদান কৰা নেতৃত্ববৃন্দসকলৰ সৈতে আলাপ আলোচনাৰ মাধ্যমৰে এক সু সম্পৰ্ক স্থাপন কৰি বহু সমস্যা নিষ্পত্তি কৰি তোলাটো বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ইতিমধ্যে ৰাজ্যিক সভাপতি গৰাকীয়ে ৪০ খন

(আঠপৃষ্ঠাত চাওক)

# সেউজ দীপাৱলী

**বন্দিতা শৰ্মা কন্দলি,দেৰগাঁও**

শৰৎ কালৰ উৎসৱ সমূহৰ ভিতৰত অতি আনন্দৰ উৎসৱ টোৱেই হৈছে দীপাৱলী। কিয়নো এই উৎসৱ হৈছে পোহৰৰ উৎসৱ। এন্ধাৰ বিনাশি জগত পোহৰ কৰা হয় বন্তিৰ পোহৰেৰে। শৰৎ কালৰ কাতি মাহৰ অমাৱস্যা তিথিত এই উৎসৱ পালন কৰা হয়। দীপান্বিতা বা দীপাৱলী পালনৰ উৎস হিচাপে বিভিন্ন পৌৰাণিক কাহিনী পোৱা যায়। তেনে এক কাহিনী হৈছে ৰামে চৈধ্য বছৰ বনবাসৰ অন্তত অযোধ্যালৈ ঘূৰি আহোঁতে প্ৰজাই আনন্দতে চাকিৰ পোহৰেৰে ৰাজ্য আলোকাই তুলিছিল। তেতিয়াৰ পৰাই পৰম্পৰাগত ভাবে পোহৰৰ উৎসৱ পালন কৰি অহা হৈছে। এই মাটি চাকিৰ পোহৰ কৃষি কাৰ্যৰ লগতো জড়িত হৈ আছে। চাকিৰ পোহৰৰ প্ৰতি বিভিন্ন কীট পতংগ, চগা আদি আকৰ্ষিত হয় আৰু এই চাকিৰ তেলত লাগি ধৰে। কিছুসংখ্যক জ্বলা চাকিৰ তাপত মৃত্যু হয়। এই কীট পতংগ বোৰে শস্যৰ অনিষ্ট সাধন কৰে। কাতি বিহুৰ পাছত এই বৰ্দ্ধিত পৰিমাণৰ চাকিয়ে খেতিয়কক সকাহ দিয়ে।

বৰ্তমান এই পোহৰৰ উৎসৱ আধুনিকতাৰ কবলত পৰি শব্দ আৰু বৈদ্যুতিক চাকিৰ সাজ সজ্জালৈ পৰিবৰ্তন ঘটিছে। প্ৰকৃত দীপাৱলীৰ তাৎপৰ্যৰ পৰা ফালৰি কাটি আহিছে। ফটকা আৰু বিভিন্ন ধৰণৰ সৰু বৰ ব'মৰ বৃহৎ শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰাৰ লগতে বিভিন্ন ধোঁৱা আৰু উৎপন্ন হোৱা গেছে বায়ুমণ্ডল প্ৰদূষিত কৰি তোলে। শব্দ প্ৰদূষণে মানুহৰ লগতে আন প্ৰাণী আৰু চৰাই চিৰিকটিৰো অনিষ্ট সাধন কৰে। অত্যাধিক শব্দই কাণেৰে নুশুনা পৰ্যন্ত হ'ব পাৰে। তাৰোপৰি শ্বাস-প্ৰস্বাস জনিত ৰোগ, উচ্চৰক্তচাপ আদি নানা ৰোগত আক্ৰান্ত ব্যক্তিৰ বাবেও অপকাৰী। নানা ধৰণৰ ফটকা, কলগছ, ৰকেট, চকৰি আদিৰ পৰা নিৰ্গত হোৱা কাৰ্বন মন অক্সাইড, ছালফাৰ ডাই অক্সাইড, নাইট্ৰিক অক্সাইড আদি অতি বিষাক্ত গেছ। এই গেছ সমূহে



বায়ুমণ্ডল প্ৰদূষিত কৰি তোলে।

অত্যাধিক পোহৰে পোহৰ প্ৰদূষণৰ সৃষ্টি কৰে। বিজুলী বাতিৰ ৰঙীন টিপ্ টপ্ পোহৰ চকুৰ বাবে হানিকাৰক। বিজুলী শক্তিৰ অপব্যৱহাৰৰ কথাটো নুই কৰিব নোৱাৰি।

সদৌ শেষত আমি তেলৰ মাটি চাকি জ্বলাই শব্দ প্ৰদূষণ সৃষ্টি নকৰাকৈ আনন্দ মনেৰে পোহৰৰ উৎসৱ পালন কৰোঁ আহক। চুবুৰীয়াৰ সৈতে পোহৰ আৰু শব্দৰ প্ৰতিযোগিতাৰ ভাব ত্যাগ কৰি এন্ধাৰ বিনাশি পোহৰে আলোকাই তুলিবলৈ চেষ্টা কৰি সেউজ দীপাৱলীক স্বাগতম জনাবলৈ সংকল্প লোৱাৰেই সময়।



# উৎকোচ লৈ গ্ৰেপ্তাৰ ডিব্ৰুগড়ৰ পৰিবহণ বিষয় দিতিমণি গগৈ



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা কনিষ্ঠ সহায়ক দিতিমণি গগৈৰ ঘৰত এই পৰ্যন্ত উদ্ধাৰ ৯ লাখ ৩০ হাজাৰ টকা। বুধবাৰে উৎকোচ লৈ ধৰা পৰিছিল ডিব্ৰুগড়ৰ পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ কনিষ্ঠ সহায়ক দিতিমণি গগৈ আৰু দালাল পংকজ শইকীয়া। গ্ৰেপ্তাৰ হোৱা কনিষ্ঠ সহায়ক দিতিমণি গগৈৰ ফ্লেটত নিশা আৰক্ষীয়ে তালাচী চলায়। তদন্তকাৰী দলে দিতিমণি গগৈৰ বাসগৃহত তালাচী চলাই মুঠ ৯ লাখ ৩০ হাজাৰ টকা জব্দ কৰে। আনহাতে অভিযানকাৰী দলে দালাল পংকজ শইকীয়াৰ টেঙাখাতৰ বাসগৃহৰ পৰা বহু পৰিমাণৰ ড্ৰাইভিং লাইচেঞ্চ জব্দ কৰে। উল্লেখযোগ্য যে, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত ৭০০ টকা উৎকোচৰ ধন গ্ৰহণ কৰোঁতে হাতে-লোটে ধৰা পৰিছিল দিতিমণি গগৈ আৰু দালাল পংকজ শইকীয়া।

# মাজুলীত পুনৰ এম্বুলেন্সৰ অভাৱত ৰোগীৰ মৃত্যু

ৰঙিলী বাৰ্তাসেৱা- মাজুলীৰ স্বাস্থ্য খণ্ডৰ লেৰেলা অৱস্থাৰ বাবে এতিয়া মাজুলীত বাজিছে মৃত্যু ঘণ্টা। তেজস্বিতা-আদিত্যৰ মৃত্যুয়েও গা লৰাব পৰা নাই স্বাস্থ্য বিভাগৰ। পুনৰ পোহৰলৈ আহিল মাজুলীৰ স্বাস্থ্য খণ্ডৰ নগ্ন ছবি। আকৌ এম্বুলেন্সৰ নহাৰ বাবেই এগৰাকী ৰোগীৰ মৃত্যুৰ অভিযোগ উত্থাপিত হৈছে। এম্বুলেঞ্চৰ অভাৱত মৃত্যু হলিৰাম শইকীয়া নামৰ লোকজনৰ। বৃহস্পতিবাৰে নিশা মাজুলীৰ মাজগাঁৱৰ হলিৰাম শইকীয়া (৫২) নামৰ লোকজন গুৰুতৰভাৱে অসুস্থ হৈ পৰে। ১০৮ সেৱালৈ ফোন কৰিও সঁহাৰি নাপাই ব্যক্তিগত বাহনত পৰিয়ালৰ লোকে লোকজনক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসালয় নাপাওঁতেই মৃত্যুমুখত পৰে লোকজন। মাজুলীত ১২খন ১০৮ সেৱাৰ বাহন থাকিও জৰুৰী অৱস্থাত পোৱা নাযায় এম্বুলেঞ্চ। তেজস্বীতা নামৰ কণমানি ছাত্ৰী গৰাকীৰ মৃত্যুৰ পাছত পৰ্যাপ্ত এম্বুলেন্স থকা বুলি দাবী কৰা কেশৱ মহন্তই অধিক উন্নত চিকিৎসাৰ আশ্বাস দিয়েই সামৰিলে দায়িত্ব।


JANASANYOG- 2697/22

আপোনাৰ বেংক একাউণ্ট নম্বৰ, ডেবিট-ক্ৰেডিট কাৰ্ড নম্বৰ, পিন, চি ভি ভি নম্বৰ, অ' টি পি কাৰো লগত শ্বেয়াৰ নকৰিব।



আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হ'ব পাৰে।

যদি আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হৈছে, তেন্তে ততালিকে অভিযোগ দাখিল কৰক

২৪X৭ হেল্পলাইন নং ১৯৩০ ত

চাইবাৰ অপৰাধৰ গোচৰ www.cybercrime.gov.in ত অনলাইনযোগে দাখিল কৰক।

প্ৰতিটো পলতে আপোনাৰ সেৱাত অসম আৰক্ষী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

follow us @diprassam diprassam.gov.in

# পোহৰৰ উৎসৱ দীপাৱলী

কবিতা শৰ্মা,দিল্লী



হিন্দু সকলৰ আটাইতকৈ লোকপ্ৰিয় উৎসৱৰ ভিতৰতে এটা হ'ল দীপাৱলী বা দেৱালী। পোহৰৰ জৰিয়তে মানুহে জীয়াই থকাৰ প্ৰেৰণা বিচাৰে। যি পোহৰৰ দ্বাৰা মানুহৰ হৃদয়ৰ কালিমা নাশ হয় প্ৰকৃততে সেয়েই দীপাৱলী। এই সম্পৰ্কে উপনিষদতো আছে --

তমসো মা জ্যোতি গময়ঃ
মৃত্যু যা অমৃতং গময়ঃ

অৰ্থাৎ হে ভগৱান আমাক আন্ধাৰৰ পৰা পোহৰলৈ নিয়া আৰু মৃত্যুৰ পৰা অমৰত্ব প্ৰদান কৰা। দীপাৱলী সংস্কৃতৰ দুটা শব্দ লগ লাগি সৃষ্টি হৈছে- দীপ+আৱলী দীপৰ অৰ্থ হৈছে- প্ৰদীপ আৰু আৱলীৰ অৰ্থ হৈছে শৃংখলা। যাৰ অৰ্থ হৈছে প্ৰদীপৰ শৃংখলা বা প্ৰদীপৰ পংক্তি। এই উৎসৱ কাতি মাহৰ কৃষ্ণ চতুৰ্দশীৰ দিনা পালন কৰা হয়। ইয়াক হিন্দুসকলৰ উৎসৱ বুলি কোৱা হয় যদিও জৈন, শিখ আৰু বৌদ্ধ ধৰ্মালম্বী লোকেও ইয়াক পালন কৰা দেখা যায়।

হিন্দুসকলৰ মান্যতা অনুসৰি দীপাৱলীৰ দিনাই ভগৱান ৰামচন্দ্ৰ চৌধ্য বছৰ বনবাসৰ অন্তত ৰাবনক বধ কৰি পত্নী সীতা, ভ্ৰাতা লক্ষ্মণ আৰু ভক্ত হনুমানৰ সৈতে অযোধ্যালৈ ঘূৰি আহিছিল। অমাৱস্যাৰ নিশা হোৱা কাৰণে সেইদিনা চাৰিওফালে ঘোৰ অন্ধকাৰ আছিল। সেইকাৰণে অযোধ্যা বাসীয়ে গোটেই অযোধ্যা নগৰী প্ৰদীপ আৰু ফুলেৰে সজাই তুলিছিল যাতে ভগৱান ৰামৰ আগমনত কোনো বাধা নজন্মে। তেতিয়াৰে পৰা আজিলৈকে ইয়াক পোহৰৰ উৎসৱ আৰু আন্ধাৰৰ ওপৰত পোহৰৰ বিজয় হিচাপে মানি অহা হৈছে। দীপাৱলী পালন কৰাৰ প্ৰস্তুতি এই উৎসৱৰ কেইবাদিনো আগৰ পৰাই কৰা যায়। সকলোৱে অতি আগ্ৰহেৰে ঘৰ - দুৱাৰ পৰিস্কাৰ কৰাত ব্যস্ত হৈ পৰে। ঘৰ নতুনকৈ ৰং কৰি সজোৱা হয়।

কাৰণ লোকবিশ্বাস অনুসৰি পৰিস্কাৰ পৰিছন্ন ঘৰততহে লক্ষ্মী দেৱীৰ পদাৰ্পণ ঘটে আৰু সুখ সমৃদ্ধিৰ আশীৰ্বাদ প্ৰাপ্ত হয়। এই সময়ত বজাৰ সমূহ লোকে লোকাৰণ্য হৈ উঠে। সকলোৱে নিজৰ পচন্দ অনুসৰি ঘৰ সজোৱাৰ সামগ্ৰী ক্ৰয় কৰে। দেৱালী কাষ চপাৰ লগেলগে সকলোৱে নিজৰ ঘৰবোৰ বিভিন্ন ডিজাইনৰ চাকি আৰু ৰংবিৰঙৰ উজ্জ্বল লাইটেৰে সজাই সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। এই শুভদিনটোত বজাৰৰ পৰা লক্ষ্মী আৰু গনেশৰ মূৰ্তি আনি ঘৰত স্থাপন কৰা হয়। সকলোৱে নতুন কাপোৰ, বাচন বৰ্তন, মিঠাই আদি আনি পৰিয়ালৰ সকলোৱে লগত আনন্দৰে পালন কৰে। বন্ধু-বান্ধৱী, আত্মীয় স্বজনৰ লগত উপহাৰ আদান - প্ৰদান কৰা হয়। সৰু ল'ৰা ছোৱালীবোৰে ফটকা

(আঠ পৃষ্ঠাত চাওক)

# এগৰাকী অসহায় বিধবাৰ মনৰ কথা

ৰূপ ৰেখা ঠাকুৰ,দেৰগাঁও



প্ৰৱাল বৰুৱাৰ চাৰিটা সন্তানৰ ভিতৰত মাজু ছোৱালী প্ৰতিভাৰ পঢ়া-শুনাৰ প্ৰতি অলপো মনোযোগ নাই লাহ বিলাহতে দিনবোৰ পাৰ কৰিছিল মাক দেউতাকে বুজালে ও তাই একো কথাতে মনোযোগ দিয়া নাছিল। এদিন ঘৰৰ মানুহক লগৰ ছোৱালীৰ ঘৰলৈ যাও বুলি কৈ মহেন্দ্ৰ বৰুৱাৰ পুতেক লৈ পলাই গ'ল। ৰাজ দেখাই শুনাই ধুনীয়া আছিল যদিও তাৰ স্বভাৱ চৰিত্ৰ ভাল নাছিল। তাই টকা পইছা পোৱাৰ বাবে ৰাজৰ কথা ইমান ভৱাই নাছিল বিয়াৰ তিনি বছৰৰ পাছত অত্যাধিক মদ্যপান কৰি তীব্ৰ গতিত গাড়ী চলাই অহাৰ বাবে মৃত্যু মুখত পৰিল। তেতিয়া ঘৰৰ মানুহে তাইক কুলক্ষণীয়া বুলি ঘৰৰ পৰা খেদি দিলে তাইৰ মাকৰ ঘৰৰ লগত যোগাযোগ নথকাৰ বাবে তালৈকো যাব নোৱাৰিলে কি কৰিব ভাবি নাপাই তাই ফুটপাথতে থাকিবলৈ ল'লে। তাতো হাজাৰ মানুহৰ কথাই তাইক অসহায় কৰি তুলিলে। তেতিয়া হে উপলব্ধি কৰিছে তাই মাক দেউতাকৰ কথা নুশুনাৰ বাবে আজি তাইৰ এই অৱস্থা হ'ল। শেষত তাই জীয়াই থাকিবৰ বাবে পাগলীৰ ভাও ল'ব লগা হ'ল। এগৰাকী অসহায় বিধবাৰ কৰুণ কাহিনী।

# কাতি বিহুৰ কথাৰে

ইকবাল হুছেইন



অসমীয়াৰ জাতীয় জীৱনৰ এটি বিশেষ দিন কাতি বিহু। যদিও ৰঙালী আৰু ভোগালীৰ দৰে এই বিহুত জাকজমকতাৰ প্ৰাধান্য নাই তথাপি কাতি বিহুৱে অসমীয়া সমাজত গ্ৰহণ কৰি আহিছে এক স্বকীয় ভূমিকা। এই বিহুৱে অসমীয়াৰ পৰম্পৰা, স্বকীয় কৃষ্টিৰ এক নিজস্ব পৰিচয় দাঙি ধৰে। অসমৰ জাতীয় উৎসৱৰ ভিতৰত কাতিবিহু বা কঙালীবিহু অন্যতম। আগতেই উল্লেখ কৰা হৈছে যে, এই বিহুত তেনেকুৱা কোনো উলহ মালহ কিম্বা ভোগ প্ৰাচুৰ্য নাথাকে।

উল্লেখ্য যে, কৃষিজীৱী লোকৰ ভঁৰাল উদং হৈ যায় বাবেই এই বিহুৰ দিনা আকাশ বন্তি জ্বলাই ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। এই বিহুৰ দিনা কৰিবলগা তেনে কোনো বিশেষ কাম নাই যদিও ভঁৰাল, ঢেঁকীশাল, ধাননিপথাৰ, আৰু তুলসীৰ তলত বন্তি প্ৰজ্বলন কৰা হয়।

সম্প্ৰতি চিন্তনীয় বিষয়টো হৈছে যে, অসমীয়া সভ্যতা-সংস্কৃতিৰে সমৃদ্ধ শংকৰ-মাধৱৰ অসমত লাহে লাহে পাশ্চাত্য সংস্কৃতিবোৰে গ্ৰাস কৰিব ধৰিছে। নিজৰ ঐতিহ্য, সংস্কৃতি তথা পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰতে যেন এলাগি হৈ পৰিছে অসমীয়া। আজিৰ উঠি অহা নৱ প্ৰজন্মই অসমীয়াৰ হিয়াৰ আমঠু কাতিবিহুৰ বিষয়ে প্ৰায় নাজানে বুলি কলেও বঢ়াই কোৱা নহব চাগে পিছে পাশ্চাত্য সংস্কৃতি (উৎসৱ)ৰ বিষয়ে সম্পুৰ্ণৰূপে ওয়াকিবহাল আমাৰ যুৱ সমাজ।

হয় এটা কথা ঠিক যে, সংস্কৃতি পৰিৱৰ্তনশীল। যুগে যুগে সংস্কৃতি পৰিৱৰ্তন হৈ আহিছে। সেইবুলি নিজৰ সংস্কৃতিক এলাগি কৰি পাশ্চাত্য সংস্কৃতিক অগ্ৰাধিকাৰ বা আগস্থান দিয়াটো জানো সমীচিন হ'ব? ইতিমধ্যে অসমত প্ৰায় অৰ্ধশতাংশই পাশ্চাত্য সংস্কৃতিয়ে গ্ৰাস কৰিছেই, কৰক কবলগীয়া নাই, কিন্তু নিজৰ সংস্কৃতি যাতে অতীত হৈ নাযায় তাৰ প্ৰতিও অসমীয়া সমাজ সজাগ-সচেতন হোৱা উচিত।

কাতি বিহুৰ এই শুভক্ষণত জাতি, ধৰ্ম, ভাষা, গোষ্ঠী নিৰ্বিশেষে সকলো অসমবাসীয়ে পণ লোৱা দৰকাৰ যাতে কোনো কাৰণতেই অসমীয়া ভাষা, সাহিত্য, সভ্যতা-সংস্কৃতি বিপদাপন্ন নহয়। তদুপৰি ধৰ্ম, জাত-পাতৰ ভেদাভেদ পৰিহাৰ কৰি অসম তথা অসমীয়াৰ একতা, শান্তি আৰু উন্নতিৰ স্বাৰ্থত আহোপুৰুষাৰ্থ কৰা উচিত। বিভেদ, বৈষম্যই কেতিয়াওঁ কোনো জাতিৰ উত্তৰণ নঘটায় বৰং সন্দে, অবিশ্বাস, ঘৃণা, শত্ৰুতা, অশান্তি আৰু প্ৰগতিৰ পথত বাধাৰ সৃষ্টি কৰে।

# দীপশিখা হাজৰিকাৰ সোঁৱৰণীত

ডাঃ যুতিকা ওজা



দেউপাৰি জপিয়াই ফুৰা
কণমানি ছোৱালীজনীৰ
আছিল দুৰ্বাৰ হেপাহ
চুবলৈ আকাশখন
ভাল পাইছিল
বতাহৰ লগতে কথা পাতিবলৈ
দেউকা মেলি দিছিল
সেউজীয়া সপোনৰ
অৱধাৰিত নদীৰ লগতে
খেলা খেলিছিল
শব্দৰ গতিৰে উৰিছিল
পৰ্বতৰ শিখৰত
সাহসৰ বন্তি জ্বলাবলে
কিন্তু কিয় বাৰু অভিমান কৰিলে
কাৰ ওপৰত অভিমান কৰিলে
লুকাই গল
শুকুলা মেঘৰ আৰত
আকাশৰ সিপাৰৰ সপোন বিচাৰি
থৈ গল এক শূন্যতা
উৰি গল শুকুলা ঘোৰা
আকাশ চুবলৈ


JANASANYOG- 2693/22
জনতাৰ চৰকাৰ
myGOV মেৰী সৰকাৰ
GOVERNMENT OF ASSAM
অসম চৰকাৰ
অসম চৰকাৰৰ দায়বদ্ধতা
আৰ্তজনৰ আৰ্থিক নিৰাপত্তা
১০ তাৰিখ
পেঞ্চন আৰু অৰুণোদয়ৰ দিন
প্ৰতিমাহৰ ১০ তাৰিখে
হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
মুঠ হিতাধিকাৰী - ৩৯,২৮,৪৭৩গৰাকী
প্ৰতিমাহে ধন আদায় - ২৮৫.৯৫ কোটি টকা
অৰুণোদয় আঁচনিৰ প্ৰতিগৰাকী হিতাধিকাৰীলৈ অক্টোবৰ, ২০২২ৰ পৰা
বিদ্যুৎ মাচুলৰ সাহায্য হিচাপে প্ৰতিমাহে অতিৰিক্ত ২৫০ টকা
অক্টোবৰ, ২০২২ৰ পৰা অৰুণোদয় হিতাধিকাৰীয়ে সৰ্বমুঠ লাভ কৰিব
১,২৫০ টকা
আঁচনিসমূহ
অৰুণোদয়
স্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
দীনদয়াল দিব্যাংগজন সাহায্য
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# Success

**Rajlakshmi Borthakur,**
**Debraj Roy College Golaghat**




Success is the goal of everyone's life. No one can achieve success in life without hard work. Everyone in this world has some dream or goal to achieve which he works sincerely . It is a good thing to dream about some goal in life and achieving that goal is our success. We should work hard and use our time properly to make our life's dream come true. Success come only to those who sincerely work hard for their success. People should use their time properly and work hard and work accordingly to make their dreams come true. Failure is also a part of success. We don't need to be disappointed by our failure rather we need to learn from our failure. Where we have made mistakes. We need to identify them and correct them. A successful person is the one who uses his time properly to achieve his goal. Achieving success requires a lot of hard work dedication, motivation etc. Success come only to those who pursue their goal with their determination. It can never be taken advantage of by those people who only dream of being successful in their goal and do nothing to achieve it.

# ঈশ্বৰলৈ লিখা চিঠিঃ

জ্যোতিস্মিতা গোস্বামী শৰ্মা



জিছাই বহুদিন মুকুহতৰ লগত যোগাযোগ কৰিব পৰা নাই। ফোনৰ ৰিং বাজি শেষ হয় কিন্তু কোনো সহাঁৰি নাপায়। সিদিনা সকলোৱে খবৰ এটা ল'বলৈ বুলি তাই খৰধৰ কৈ ভাত সাজ খালে।

এনেতে আকাশ খন কলীয়া ডাৱৰে ছাতি ধৰা দেখিলে। কিছু সময়ৰ পাছতে বৰষুণৰ ডাঙৰ টোপালবোৰ পৰিবলৈ ধৰিলে। সেইদিনা আৰু তাইৰ খবৰ ল'বলৈ যোৱা নহ'ল।

মুকুৰ জন্ম দিনৰ দিনাই তাই খবৰ এটা ল'ব। আগৰ কেইবাৰ গোটেই দিন ফোন কৰিলে যদিও শুভেচ্ছা জনাবলৈ নাপালে। সেয়ে এইবাৰ তাই নিজে গৈ মুকুক জন্ম দিনৰ শুভেচ্ছা জনাব।

নিৰ্দিষ্ট দিনত তাই পূৰা ভগৱানৰ ওচৰত বন্তি জ্বলাই মুকুৰ উন্নতিৰ বাবে প্ৰাৰ্থনা জনালে। তাৰ পাছত মন্দিৰত কিছু নৈবেদ্য আগবঢ়ায় আৰু মনত সাহস বান্ধি মুকুৰ ওচৰ পায়গৈ। মুকুৰ জন্মদিন সুন্দৰকৈ আয়োজন কৰিছে। ঘৰৰ সদস্য সকলক লগ পাই জিছাৰ মনটো ভাল লাগি গ'ল। কিন্তু হঠাৎ ঘটা ঘটনাটোৱে তাইৰ মনত গভীৰ ভাৱে ৰেখাপাত কৰিলে। তেওঁলোকে হয়টো তাই মুকুৰ জন্ম দিনলৈ যোৱাটো বিচৰা নাছিল। তাই দিয়া সামান্য উপহাৰটোও ঘুৰাই দিলে। কোনোবাই তাইক কৈছিল, "সম্বন্ধটো ভাল হোৱাৰ পাছত সকলোলৈকে তুমি উপহাৰ নিবা।" তাইৰ মনটোয়ে নমনা বাবে কিবা এটা লৈ গৈছিল। আবেগত তাই একো ক'ব নোৱাৰি দুচকুৰে বৈ অহা

*(দহ পৃষ্ঠাত চাওক)*

# ভৱেশ কলিতা দল আৰু সমষ্টিৰ

সাংগঠনিক জিলা পৰিভ্ৰমণ কৰি সাংগঠনিক প্ৰবাস কৰিছে। এই প্ৰবাসৰ সময়ত প্ৰতিখন জিলাৰ তৃণমূল পৰ্যায় পৰা বুথৰ পৰ্যায়ৰ কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি মনৰ বুজ লৈ দলীয় মাকদৰ্শন প্ৰদান কৰি আহিছে। লগতে জিলাসমূহত দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰি তুলিবলৈ প্ৰতিজন কাৰ্যকৰ্তাক দল তথা ৰাইজৰ হৈ সেৱাই সংগঠন তথ্য সেৱা আৰু সমৰ্পন মূলমন্ত্ৰ সন্মুখত ৰাখি সেৱাৰ মনোভাৱেৰে ৰাইজৰ লগত থাকি কাম কৰি যাবলৈ আহ্বান জনায়। ৰাজ্যিক সভাপতি গৰাকী প্ৰতিখন দলীয় সভাত কয় যে- কাৰ্যকৰ্তা, কাৰ্যালয় কাৰ্যসূচী আৰু কোষ- এই চাৰিটা হৈছে ভাৰতীয় জনতা পাৰ্টিৰ মূল পৰিচালিকা শক্তি স্বৰূপ।

দলৰ প্ৰতিটো কাৰ্যসূচী সমূহ ৰূপায়ন কৰি তুলিবলৈ সেৱাই সংগঠনৰ মূল নীতিৰে উদ্বুদ্ধ হৈ দলৰ প্ৰতি গৰাকী কাৰ্যকতাই অনবৰতে ৰাইজৰ মাজত থাকি দেশৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বধীন ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ দুয়োখনে জনসাধাৰণৰ বাবে লোৱা জনকল্যাণমূলক আঁচনি সমূহক ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ দায়িত্ব পালন কৰিব লাগিব বুলি সকলোকে আহ্বান জনাই আহিছে। প্ৰতিখন জিলাতে বিশেষ সাংগঠনিক সভা অনুষ্ঠিত কৰি আগন্তক হবলগীয়া দলীয় কাৰ্যসূচী তথা পৰিকল্পনা সমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

তাৰোপৰি উক্ত প্ৰবাসৰ সময় চোৱাত জিলা খনৰ প্ৰাক্তন জিলা সভাপতিসকলক আৰু দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা সকলৰ আশীৰ্বাদ গ্ৰহণ কৰি দিহা পৰামৰ্শ গ্ৰহণ কৰি আহিছে। লগতে এই প্ৰবাস সময়ত তৃণমূল পৰ্যায়ৰ পৰা বুথৰ দলীয় কাৰ্যকৰ্তাৰ ঘৰত উপস্থিত হৈ একেলগে আহাৰ গ্ৰহণ কৰি মনৰ বুজ লোৱাৰ প্ৰয়াস কৰিছে। লগতে প্ৰতিখন দলীয় সভাত ৰাজ্যিক সভাপতি গৰাকী যেই দল কাৰ্যকৰ্তাক আহ্বান জনায় আহিছে যে- সমাজৰ শেজন ব্যক্তিক সেৱা কৰি যাবলৈ প্ৰয়াস কৰে যেন।

# পোহৰ

চৈয়দা জেবীন চাবীৰা শ্বাহ, নিউয়ৰ্ক



আমি সকলো আহিছোঁ পোহৰৰ পৰা,
এক আদিম পোহৰ!
এটিয়েই পোহৰৰ উৎস,
তেওঁ!
যি অনাদি, অনন্ত, চিৰন্তন।
যুগ যুগ ধৰি আহি আছোঁ, গৈ আছোঁ
আমাৰ পোহৰ যে সীমিত!
সেয়ে উলটি যাওঁ
পোহৰৰ উৎসলৈ।
দুখ নকৰিবা বন্ধু
তোমাৰ জীৱনৰ পোহৰকণ
ঘৰলৈহে গৈছে,
তাতে লগ পাবা আকৌ এদিন
হাতত ধৰি চিৰদিনৰ বাবে
সৰগীয় উল্লাসত নাচিবা।

# পোহৰৰ উৎসৱ দীপাৱলী

আৰু বিভিন্ন ধৰণৰ আতচবাজী যেনে- ফুলজাৰী, ৰকেট, গছ, চক্ৰ, আদি জ্বলাই আনন্দ কৰে।

আমাৰ ৰাজ্যত দেৱালীৰ আগদিনা কালি পূজা উদযাপন কৰা হয়। কালী শব্দৰ অৰ্থ হৈছে কাল অৰ্থাৎ আন্ধাৰ। এই কাল সমস্ত ব্ৰহ্মাণ্ড বিয়পি আছে। ইয়েই মহাকাল। কালিকা পুৰাণৰ মতে মহাকালী অৰ্থাৎ শিৱৰ পত্নী পাৰ্বতীয়ে যেতিয়া অসুৰ বধ কৰি উগ্ৰ ৰূপ ধৰি জীৱ মাত্ৰকে বধ কৰিবলৈ উদ্যত হয় তেতিয়া শিৱই পত্নীয়ে আৰু কিবা অথন্তৰ ঘটাব পাৰে বুলি উপায়ন্তৰ হৈ পত্নীৰ গমনৰ পথত ওপৰমুৱাকৈ শুই পৰিল আৰু পাৰ্বতীয়ে ৰণচণ্ডী মূৰ্তি ধৰি শিৱৰ বুকুত ভৰি থৈ, মহা কালীকে ধৰি দহগৰাকী দেৱীৰ ৰূপ লয় সেইদিনাৰ পৰাই কালি কালগ্ৰাসিনী, উগ্ৰমালী, চন্দেচৰী, কালিকাবদনী আদি নামেৰে জনাজাত হয়। দীপান্বিতা হ'ল পোহৰৰ উৎসৱ। এই পোহৰৰ দ্বাৰা হৃদয়ৰ দুখ নাশ কৰি অনাগত সময়ত সুখৰ সন্ধান কৰাই হ'ল দীপান্বিতাৰ মূল মন্ত্ৰ। কিন্তু দেৱালীৰ দৰে ধাৰ্মিক মহত্ব থকা উৎসৱত কিছুমান অসামাজিক কাৰ্য্য যেনে সুৰা সেৱন, জুৱা খেল আৰু ফটকাৰ ভুল ব্যৱহাৰ আদিয়ে বেয়া কৰাত উঠিপৰি লাগে। যদি সমাজৰ পৰা এইবোৰ অসুয়া দূৰ কৰিব পাৰি তেতিয়াহে দীপাৱলীক বাস্তৱতে শুভ দীপাৱলী বুলি কব পৰা যাব। যিকোনো দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ আৰু দেশ খনক প্ৰদুষণ মুক্ত কৰি ৰাখিবলৈ ফটকা ফুটোৱাতো সাৱধানতা অৱলম্বন কৰা উচিত। দীপাৱলীৰ প্ৰকৃত উদ্দেশ্য যে নিজৰ ভিতৰৰ অন্ধকাৰ নাশ কৰি সমূহ সংসাৰকে প্ৰকাশমান কৰি তোলা সেই কথা আমি বুজা উচিত। সকলোৱে বুজা উচিত যে এই উৎসৱৰ অৰ্থই হ'ল পোহৰ, প্ৰেম আৰু সুখ সমৃদ্ধি ... এই উৎসৱে সদায় আমাক আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। এই উৎসৱ সাংস্কৃতিক আৰু সামাজিক সম্ভাৱৰ প্ৰতীক। এই উৎসৱৰ কাৰণেই মানুহৰ মাজত আজিও সামাজিক একতা অক্ষুণ্ণ হৈ আছে।

আধুনিকতাৰ সৈতে তাল মিলোৱাৰ বাবে মাটিৰ চাকি জ্বলোৱাৰ কথা নাপাহৰে যেন। মাটিৰ চাকি জ্বলালে আধুনিকতা হ্ৰাস নহয় বৰঞ্চ বাঢ়িবহে।

সকলোকে দীপাৱলীৰ আন্তৰিক শুভেচ্ছা জনালোঁ। দীপাৱলীৰ উজ্জ্বলতাই সকলোৰে জীৱন পোহৰাই তোলক ...

# বাৰ্ধক্যজনিত সমস্যাত আয়ুৰ্বেদৰ ভূমিকা

ডাঃ বিজিতা চুতীয়া,বি.এ.এম.এচ., এম.ডি.(আয়ুৰ)
জ্যেষ্ঠ গৱেষক, বিকালী মডেল হস্পিতেল, ধুপধৰা



আধুনিক যুগৰ এটা পৰিচিত সমস্যা হৈছে এজিং সমস্যা। পুৰুষৰ ক্ষেত্ৰত এই সমস্যাৰ আৰম্ভণি সাধাৰণতে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত দেখা যায় আৰু মহিলাৰ ক্ষেত্ৰত মেনোপজৰ সময়, অৰ্থাৎ পঞ্চল্লিছ বছৰ বয়সৰ পৰা পচপন্ন বছৰ বয়সৰ ভিতৰত এই সমস্যা বেছিকৈ দেখা যায়।বৰ্তমান তৰুণ তৰুণীৰ মাজতো এই সমস্যা দেখিবলৈ পোৱা গৈছে। এই সমস্যাৰ মূল কাৰণ হৈছে বিসংগতিপূৰ্ণ জীৱন যাপন। পুৱা দেৰিকৈ উঠা আৰু ৰাতি দেৰিকৈ শুবলৈ যোৱা, অতিৰিক্ত মদ্যপান, ধুমপান আদিৰ প্ৰভাৱ আমাৰ দেহৰ ছালৰ ওপৰতো পৰে। যিসকল ল'ৰা-ছোৱালীয়ে সদায় ৰাতি উজাগৰে থাকি পঢ়াশুনা কৰে অথবা ভৱিষ্যৎ জীৱনক লৈ অতিৰিক্ত চিন্তা-ভাৱনা কৰে তেওঁলোকৰো এজিং সমস্যা হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ উপৰি যিসকলে নিয়মিত যোগ, ব্যায়াম নকৰে তেওঁলোকক অচিৰেই এই সমস্যাই গ্ৰাস কৰে। মানসিক উদ্বেগৰ কাৰণেও এই সমস্যা বহুল পৰিমাণে হোৱা দেখা যায়।

এজিং বা বাৰ্ধক্যৰ সমস্যাৰ পৰা মুক্তি পাবলৈ হ'লে সঠিক খাদ্যাভ্যাস মানি চলিব লাগিব। খাদ্য তালিকাত নিতৌ পৰিমাণ অনুযায়ী কাৰ্ব হাইড্ৰেট, প্ৰ'টিন, ভিটামিন, ফেট্‌ছ, কেলছিয়ামজাতীয় খাদ্য ৰাখিব লাগিব। প্ৰটিনে মগজুলৈ এমিন' এচিডৰ যোগান ধৰে। মাছ, মাংস, দুগ্ধজাত সামগ্ৰী, দাইল, শস্য আদিত যথেষ্ট পৰিমাণে প্ৰ'টিন থাকে। অসংপৃক্ত চৰ্বিজাতীয় (Unsaturated fats) খাদ্য যেনে- তেলেতীয়া মাছ, বাদাম, বিভিন্ন প্ৰকাৰৰ তেল আদি আমাৰ বাবে উপকাৰী। নিম্ন অথবা মজলীয়া ধৰণৰ গ্লাইচেমিক ইনডেক্সযুক্ত খাদ্য যেনে- ব্ৰাউন ৰাইচ, বীন, যব, ডালীয়া ইত্যাদি আমাৰ স্বাস্থ্যৰ পক্ষে অতিকৈ উপযোগী। আনহাতে উচ্চ গ্লাইচেমিক ইনডেক্সযুক্ত খাদ্য যেনে-আলু, মিঠাইজাতীয় খাদ্য, ছফ্‌ট ড্ৰিংক আদি পৰিহাৰ কৰা উচিত। ইয়াৰ উপৰি যথেষ্ট পৰিমাণে ফলমূল, শাক-পাচলি খোৱা অতি জৰুৰী। এইবোৰে আমাৰ শৰীৰত এন্টি অক্সিডেন্টৰ যোগান ধৰে। বিশেষকৈ কমলা টেঙা, ব্ৰকলি, লাইশাক, গাজৰ, বিলাহী আদি আমাৰ দেহৰ বাবে অতি প্ৰয়োজনীয়।

শাৰীৰিকভাৱে সক্ৰিয় হৈ থাকিবলৈ নিয়মিতভাৱে শাৰীৰিক ব্যায়াম বা পৰিশ্ৰম কৰাটো একান্তই দৰকাৰী। গৱেষণাৰ পৰা প্ৰমাণিত হৈছে যে শাৰীৰিক সক্ৰিয়তাই মনকো সবল কৰি ৰাখে। শাৰীৰিক ব্যায়ামে মগজুলৈ তেজৰ চলাচল বৃদ্ধি কৰে আৰু নিউৰনৰ বৃদ্ধিতো সহায় কৰে। মানসিকভাৱে সক্ৰিয় হৈ থাকি নিজৰ বিচাৰ ক্ষমতা আৰু চিন্তা কৰাৰ ক্ষমতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰা উচিত। বয়সৰ লগে লগে মগজুৰ কাৰ্যক্ষমতা কমি আহে। সেয়েহে মগজুৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিবলৈ দৈনিক ৮-৯ ঘণ্টা টোপনিৰ অতি প্ৰয়োজন। পৰ্যাপ্ত পৰিমাণৰ টোপনিয়ে স্নায়ুকোষবোৰ ধ্বংস হোৱাত বাধা দিয়ে।

ধূমপান আৰু মদ্যপানৰ পৰা বিৰত থকা উচিত। ধূমপান কৰা লোকসকলৰ আলজেইমাৰ ৰোগত ভোগাৰ সম্ভাৱনা ধূমপান নকৰাসকলতকৈ দুগুণ বৃদ্ধি পায়। ধুমপান আৰু অত্যধিক মদ্যপানে স্মৃতিশক্তি হ্ৰাস কৰাৰ উপৰি অন্যান্য স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে।

এতিয়া বাৰ্ধক্যৰ বিৰুদ্ধে যুঁজিবলৈ সক্ষম কেইবিধমান বিশেষ খাদ্যবস্তুৰ বিষয়ে জানো আহক -

**ডালিম ঃ** ডালিমত যথেষ্ট পৰিমাণে ভিটামিন আৰু এন্টিঅক্সিডেন্ট থাকে, যিয়ে সূৰ্যৰ প্ৰখৰ ৰশ্মিৰ ফলত ছালত হোৱা ক্ষতিসাধন ৰোধ কৰিব পাৰে। ডালিমত থকা ইলেগিক এচিড-এ কলাজেনৰ ধ্বংস প্ৰক্ৰিয়াটো কমাই আমাৰ ছালখন কোমল আৰু যৌৱনপ্ৰাপ্ত কৰি তোলে। ইয়াৰ উপৰি ডালিমৰ ৰসে স্মৃতিশক্তি বৃদ্ধি কৰে।

**ব্লুবেৰী ঃ** সকলো বৰণৰ বেৰী বিশেষকৈ ব্লুবেৰীত এন্টিঅক্সিডেন্টৰ পৰিমাণ অধিক মাত্ৰাত থাকে। ব্লুবেৰীত থকা এনথ'চায়েনিন নামৰ উপাদানবিধে উচ্চ ৰক্তচাপ কমোৱাত সহায় কৰে। পৰীক্ষাৰ পৰা প্ৰমাণিত হৈছে যে ব্লুবেৰীৰ ৰসে বাৰ্ধক্যৰ ফলত দেখা দিয়া হতাশা ৰোধত ভালেখিনি অৰিহণা যোগায়। কিয়নো ইয়াত থকা এনথ'চায়েনিনে আমাৰ মগজুৰ নিউৰনবোৰ উদ্দীপিত কৰি বাৰ্ধক্যজনিত হতাশা হ্ৰাস কৰে। ফ্ৰীৰেডিকেলৰ ফলত অকালতে চুলি পকা সমস্যা ব্লুবেৰীয়ে ৰোধ কৰিব পাৰে।

**গ্ৰীন টি ঃ** সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ প্ৰভাৱত আমাৰ ছালত দেখা দিয়া হাইপাৰ পিগমেনটেচন (Hyperpigmentation)-এ আমাৰ ছালখন বয়সীয়া কৰি তোলে। গ্ৰীন টি দিনে খোৱাৰ উপৰি ছালত প্ৰয়োগ কৰিলেও অতি বেঙুনীয়া ৰশ্মিৰ কবলৰ পৰা ছালখন ৰক্ষা কৰিব পাৰি। সেয়েহে গ্ৰীন টি পলিফিনলছ বা Epigallocatechin gallate (EGCG) যুক্ত ছানস্ক্ৰীন ব্যৱহাৰ কৰা উচিত বা ছানস্ক্ৰীনৰ লগত গ্ৰীন টি ৰস মিহলায়ো ছালত লগাব পাৰে। গ্ৰীন টিত থকা EGCG যে কেঞ্চাৰ কোষসমূহ ধ্বংস কৰাতো সহায় কৰে।

**সেউজীয়া শাক-পাচলিঃ** সেউজীয়া শাক - পাচলি যেনে - পালেং, ছালাড পাত ইত্যাদি বিভিন্ন ৰোগ প্ৰতিৰোধত সহায় কৰাৰ উপৰি বাৰ্ধক্যৰ বিৰুদ্ধে যুঁজাত সহায় কৰে। পালেঙত থকা 'ভিটামিন-ই'-এ বাৰ্ধক্যৰ ফলত দেখা দিয়া হাড় দুৰ্বলতা ৰোধ কৰে। সেউজীয়া পাচলিত থকা লুটিন নামৰ কেৰ'টিনয়ড বা বিটা কে'টিনে দৃষ্টিশক্তি অটুট থকাত সহায় কৰে। গৱেষণাৰ পৰা প্ৰমাণিত হৈছে যে যিসকল লোকে নিতৌ পালেং খায় তেওঁলোকৰ বাৰ্ধক্যজনিত মেকুলাৰ ডিজেনেৰেচন ৰোগ হোৱাৰ আশংকা কমি যায়। পালেঙত থকা ভিটামিন-ই আৰু 'ভিটামিন-চি'-এ চুলিৰ বৃদ্ধিত সহায় কৰাৰ

(দহ পৃষ্ঠাত চাওক)

# আহিবা সখি মোৰ গাঁওলৈ দীপাৱলীৰ ৰাতি

মাধুৰী শৰ্মা সভাপণ্ডিত



গাঁওৰ গধূলি
পদূলিত জ্বলে
শাৰী শাৰী কলগছত চাকি
বিজুলী বাতি হীন বাটতোত
পোহৰৰ চন্দ্ৰাৱলী।
ধাননি পোহৰ
আকাশ মনোহৰ
বিজুলী চাকিৰ ৰঙা-নীলা চিকিমিকি
কৃত্ৰিম জলমল
চহৰীয়া দলদোপ নাই।
মোৰ গাঁও সৰলা নিৰলা লখিমী ।
আহিবাছোন সখি এবাৰ
নৈ পৰীয়া আছুতীয়া গাঁও খনিলৈ
পেটত গামোছা বান্ধিও
গঞাই অতিথিক দেৱজ্ঞান কৰে
সৰিয়হৰ তলিত সুখে হাঁহে
চিৰিলা হাতৰ মুঠিত থাকে
প্ৰেমৰ জোনবিৰি।
গেজেপনি হাবিখন পাৰ হ'লেই পাবা
বানে বিধ্বস্ত কৰা মোৰ গাঁওখনি
চপৰা-চপৰে গঢ়া খহিলেও
মনৰ খহনীয়া নহয়।
মাটি চাকিৰ পোহৰত
ৰুণুক জুনুক শুনিবা ৰাধিকাৰ নিক্কন।
নিজান পৰৰ গৰখীয়া বাট
আজিও নন্দনকানন।

# হেঁপাহৰ ৰাতি

বিতোপন গগৈ, শিমলুগুৰি



ভাবি থোৱা নাই সেই উত্তৰ
বৈ থাকা নিজানত কিছু সময়
সন্দিহান প্ৰশ্ন এক উষ্ণ ভাৱনাৰ
সংযমী চিন্তা বিলুপ্ত ত্ৰিনিশাৰ...
এই ৰঙ্গমঞ্চ জীৱন নাটিকাৰ
গভীৰ অৰ্থ নিহিত হয়
প্ৰতিটোপাল চকুৰপানীত
দুগচি চাকি তুলসী সন্ধ্যা
কঁপি থকা ওঁঠ দুটিত বৈ থকা
সোণৰ হেঁপাহ
ধান খোৱা পখীৰ মিচিকিয়া হাঁহি
দুৰ্দিন দুৰতে বিনাশ কৰিম
কাঞ্চন সুৰভিৰ জন্ম চেতনাত
কেঞাবনত শেৱালিৰ টোপনি ৰাতি!

# বাৰ্ধক্যজনিত সমস্যাত আয়ুৰ্বেদৰ

লগতে সূৰ্যৰ ৰশ্মিৰ পৰা চুলিকোছা বচাই ৰাখে।

**সাগৰীয় মাছ ঃ** কিছুমান সাগৰীয় মাছ যেনে-চালমন, টুনা, চাৰ্ডিন, মেকেলেত যথেষ্ট প্ৰ'টিন থাকে যিয়ে আমাক স্বাস্থ্যৱান কৰি ৰাখে। পৰীক্ষাৰ পৰা গম পোৱা গৈছে যে সাগৰীয় মাছত থকা অ'মেগা-৩ ফেটি এচিডে আলজেইমাৰ ৰোগৰ প্ৰতিৰোধ কৰাৰ উপৰি মগজুৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে।

**নহৰু ঃ** আমি যিমানেই বাৰ্ধক্যৰ পিনে গতি কৰোঁ আমাৰ দেহৰ কোষত অক্সিডেটিভ ষ্ট্ৰেছ বৃদ্ধি পাবলৈ লয়। ফলত হৃদৰোগ, আলজেইমাৰ, কেঞ্চাৰ ইত্যাদি ৰোগ হ'বলৈ ধৰে। নহৰুত থকা এন্টিঅক্সিডেন্টে অক্সিডেটিভ ষ্ট্ৰেচ প্ৰক্ৰিয়াটো ধ্বংস কৰি আমাৰ শৰীৰটো ৰক্ষা কৰে। নহৰুত থকা ডাইএলিল ডাইছালফাইড (Diallye disulfide) এ বিভিন্ন ধৰণৰ কেন্সৰ যেনে-কলন কেঞ্চাৰ, প্ৰষ্টেট কেঞ্চাৰ, লিউকেমিয়া, পাকস্থলীৰ বেপাৰ ইত্যাদি হোৱাত বাধা দিয়ে। নহৰুৱে ৰক্তবাহিকাবোৰ প্ৰসাৰণ কৰি তেজ চলাচল বৃদ্ধি কৰি উচ্চ ৰক্তচাপ কমোৱাৰ লগতে হৃদযন্ত্ৰ সুস্থ কৰি ৰাখে।

**বীন ঃ** বীনত যথেষ্ট প্ৰৱণীয় আৰু অদ্ৰৱণীয় আঁহ থাকে যিয়ে মেটাবলিক ছিণ্ড্ৰম, ডায়েটিছ, ষ্ট্ৰোক, হৃদযন্ত্ৰৰ ৰোগৰ আশংকা কমায়। ই আমাৰ তেজৰ কলেষ্টেৰ'ল কমোৱাত সহায় কৰে। বীনত থকা ফ্লেভনয়ড আৰু টেনিনে ফ্ৰীৰেডিকেলৰ বিৰুদ্ধে যুঁজি কেঞ্চাৰ প্ৰতিৰোধ কৰে।

অলিভ অইল ঃ বাৰ্ধক্যৰ ফলত হোৱা কিছুমান ৰোগ যেনে-উচ্চ ৰক্তচাপ, কৰ'নাৰী আৰ্টাৰি ডিজিজ, কেঞ্চাৰ ইত্যাদি অলিভ অইলত থকা অ'মেগা-৩ ফেটি এচিডে ৰোধ কৰিব পাৰে।

**পানী ঃ** আমি সকলোৱে জানো যে সুস্বাস্থ্য অটুট ৰখাত পানীৰ গুৰুত্ব অপৰিসীম। প্ৰায় ২০ শতাংশৰ পৰা ৩০ শতাংশ বয়সস্থ লোক ডিহাইড্ৰেচনত ভোগা দেখা যায়। ইয়াৰ কাৰণ বিভিন্ন হ'ব পাৰে। যেনে কিডনীৰ কাৰ্যক্ষমতা কমি গ'লে, হৰম'নৰ তাৰতম্য, কিছুমান ঔষধৰ প্ৰয়োগ, মগজু আৰু শাৰীৰিক অক্ষমতা ইত্যাদি। ডিহাইড্ৰেচনৰ ফলত আমাৰ ছালত বলিৰেখা সোনকালে পাৰে। সেয়েহে আমাৰ শৰীৰৰ অংগসমূহ সুচাৰুৰূপে কাৰ্যক্ষম হ'বলৈ তথা বিপাকীয় কাৰ্য সঠিক ৰূপে হ'বলৈ নিতৌ ১০ৰ পৰা ১২ গিলাছ পানী খোৱা নিতান্তই আৱশ্যক। গতিকে আমি সঠিক খাদ্যাভ্যাস আৰু উন্নত জীৱনশৈলীৰে আমাৰ জীৱনৰ পাছৰ সময়ছোৱাত এটা উন্নতমানৰ জীৱন ধাৰণ কৰাটো সুনিশ্চিত কৰিব পাৰো।

# চিতাগ্নী

বসন্ত কলিতা



মোৰ মৃত্যুৰ দিনা মোৰেই চিতাত
জুই জ্বলাই দিবলৈ তুমি আহিবা।
তোমালৈ ৰচা সপোনবোৰ তুমি নিজেই চিতাত তুলি দি দাহন কৰিবা।
বটলে বটলে ঘিউ ঢালি বহু হেপাহেৰে জ্বলাই দিবা মোক।
চিতাৰ মাজতে হানি খুচি শেষ কৰিবা
দুখত পোত যোৱা এই দুৰ্ভাগীয়াৰ মৰমবোৰ।
তোমাৰ লাভ লোকচানৰ হিচাপবোৰ
মোৰ চিতাৰ জুইকুৱাক শুধিবা সকলো কব।
চিতাজুইৰ মাজতে হয়তো মই চিঞৰি চিঞৰি গাম
"মৰম মানে নহয় সোণৰে কাৰেং ঘৰ ঐ
ধুমুহা আহিলে নাথাকে সিয়োযে ৰৈ"
কেচাঁ বাহৰ প্ৰতিটো শব্দত শুনিবা
তোমালৈ সাচি ৰখা সপোনবোৰ।
ধোঁৱাৰ মাজতে বিলিন হৈ উৰি যাব
মোৰ আশাবোৰ।
বিদায় মাগিলো তোমাৰ পৰা
চকুপানী খিনিক লৈ।
আৰু কেতিয়াও উভটি নাহো তোমাক
ভেকুলী, মেকুৰী, ফেচী বুলি জোকাবলৈ।
তিল তিলকৈ পুৰি পুৰি
শেষ হৈ যাব মোৰ নশ্বৰ দেহ।
চাই হৈ পৰি ৰব মোৰ উকা কলিজা খন।
হয়তো সেই চাইখিনিতে মই কৈ যাম
"মুনু তুমি ভালদৰে থাকিবা,
ফ্ৰীজৰ পানী নাখাবা দে"
ইমান দিনৰ মৰম, ভালপোৱাবোৰ
এগচি চাকি আৰু এটা কলপুলি পুতি মোক এৰি আহিবা।
অকলে অকলে মই শ্মশানৰ এন্ধাৰত
পৰি থাকিম হেৰোৱা মৰমকলৈ।
প্ৰেতাত্মা হৈ তোমাৰ কাষতে চিৰদিন থাকিম
তোমাৰ সুখবোৰ দেখি সুখী বুলি নিজকে ভাবিম।

# ঈশ্বৰলৈ লিখা চিঠিঃ

চকুলো ঢকাৰ লগতে ঈশ্বৰৰ নাম লৈ ঘৰলৈ বুলি বাট ল'লে।

আজি তাইৰ নলিনীবালা দেৱীৰ "নাটঘৰ" কবিতাটিলৈ বৰকৈ মনত পৰিছে। ঘৰ পায় কথাবোৰ নিৰলে ভাবি ঈশ্বৰক উদ্দেশ্যি ক'লে "হে ঈশ্বৰ মই কি কৰিলোঁ যাৰ বাবে এনে দশা হ'ল! মই থাকি বলেও গৈছিলো। তেওঁলোকেও অহাৰ প্ৰতিশ্ৰুতি দিছিল। কেতিয়া অৱসান ঘটিব মানুহৰ ভুল বুজা বুজিবোৰ।"

নিজৰ বুকুত শিল থৈ তাই সকলোকে সুখী কৰিছে। সম্বন্ধ বোৰৰ মাজতো যতি পৰিবলৈ দিয়া নাই। তথাপি তাই অকলশৰীয়া হ'ব লগা হৈছে। জিছাই বুজি পোৱা নাই ঘটনাবোৰ অভিমানৰ বাবে ঘটিছে নে? সহোদৰে তাইক নিজৰ ভৰিত থিয় দিব পৰা সুবিধা কৰি দিছে। অন্তৰৰ কোনোবা এটা চুকত এটি সপোন তাই সাঁচি ৰাখিছে। মানুহে কয় ঈশ্বৰে সকলো দেখা পায়। তাইৰ মনত মাথো এটাই আশা। সেয়ে হ'ল ঈশ্বৰৰ সহায়। মানুহক বিপদৰ পৰা ৰক্ষা কৰিবলৈ এটা শক্তি সদায় আছে। সেই বিশ্বাসতে জিছায়ে ঈশ্বৰলৈ বুলি এখন চিঠি লিখিলে....

"হে ঈশ্বৰ তুমি যদি কৃপা নকৰা তেনেহ'লে মই মোৰ পৰিয়ালৰ সদস্য সকলক লগ নাপাম। ল'ৰাটোৰেও সকলোকে বিচাৰে। তাৰপ্ৰতি অন্যায় হ'বলৈ নিদিবা প্ৰভু। পৰিস্থিতিয়ে ল'ৰাটোক বিমোৰত পেলাইছে। তাক সুমতি দিয়া প্ৰভু। শেষত আৰু এটা অনুৰোধ সকলোৰে মনত যেন সদ্ভাৱ জগাই তোলা।"

সেৱাৰে
তোমাৰ বিশ্বাসী
জিছা

তাই খামৰ ভিতৰত চিঠি খন ভৰালে আৰু "ঈশ্বৰৰ প্ৰতি" বুলি তাৰ ওপৰত ঠিকনা লিখি দুখ মনে ডাকঘৰৰ ফালে খোজ দিলে। ডাকঘৰত চিঠিৰ ওপৰত টিকট এটা লগাই বাকচত ভৰাই দিয়ে। উত্তৰৰ অপেক্ষাত তাই নিজক সাহিত্যসংস্কৃতিৰ লগত জড়িত কৰি ৰাখিলে। আহক চোন আমিও জিছা হঁতৰ মংগলৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাও।

ঈশ্বৰ আল্লা তেৰো নাম
সব কো সম্মতি দে ভগৱান
সব কোঁ সম্মতি দে ভগৱান
সাৰা জাগ তেৰি সন্তান।

# বহু চলচ্চিত্ৰ মহোৎসৱ জিনি অহা ছবিখন

**অঞ্জু শাণ্ডিল্য**

প্ৰায় দু বছৰ ধৰি আন্তৰ্জাতিক ক্ষেত্ৰত বহুচৰ্চিত এখন ছবি 'বেলকনিত ভগৱান'। ইতিমধ্যে বিশ্বৰ বহুবোৰ চলচ্চিত্ৰ মহোৎসৱত অংশগ্ৰহণ কৰি লাভ কৰা ছবিখনে সাংস্কৃতিক জগতখনত যথেষ্ট গুৰুত্ব লাভ কৰিছে। ছবিখনে কেতিয়া মুক্তিলাভ কৰিব, কেতিয়া ছবিগৃহত ছবিখন উপভোগ কৰিব পাৰিব, ইমানবোৰ পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা ছবিখন সম্পৰ্কে উদ্বিগ্ন হৈ পৰিছিল অসমৰ ৰাইজ। অৱশেষত স্বস্তিৰ নিশ্বাস এৰিছে। ৭ অক্টোবৰত সমগ্ৰ অসমৰ ছবিগৃহত ছবিখনে মুক্তি লাভ কৰিলে। 'মাইনা' প্ৰডাকচনৰ হৈ ছবিখন প্ৰযোজনা কৰিছে 'জেতুকা পাতৰ দৰে' ছবিৰ বাবে 'ৰজত কমল' বঁটা লাভ কৰা ছবি প্ৰযোজক, সাংস্কৃতিক-সামাজিক কৰ্মী নুৰুল চুলতানে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পৰিচালক বিশ্বজিৎ বৰাই ছবিখন পৰিচালনা কৰিছে। অসমৰ বাবে গৌৰৱ আৰু আনন্দৰ কথা যে ছবিখনৰ সম্পূৰ্ণ স্বত্ব আমেৰিকাৰ বিখ্যাত ডিষ্ট্ৰিবিউশন কোম্পানী চোৰেলাইন এণ্টাৰটেইনমেণ্টে আঠ বছৰৰ বাবে ক্ৰয় কৰিছে। ছবিখনৰ দুটা মুখ্য চৰিত্ৰত অভিনয় কৰিছে প্ৰণামী ভাৰথী আৰু পৰিনাদ্ধি জিমা চুলতানাই। চুলতানাই পূৰ্বে 'জেতুকা পাতৰ দৰে' ছবিত শিশু শিল্পীৰ চৰিত্ৰত অভিনয় কৰিছিল। ইফালে য়াহা, কমিনে, মিডনাইট ছিলড্ৰেন, গেংগছ অৱ ৱাছিপুৰ আদি বলীউডৰ ছবিত অভিনয় কৰা হৰিশ খানাইও ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে। আন আন চৰিত্ৰত অভিনয় কৰিছে অৰুণ হাজৰিকা, ৰাজীৱ ক্ৰ', শোণিত বৰা, সাংবাদিক ইভা মহন্ত, পৱিত্ৰ বৰুৱা, গৌৰী শংকৰ ভূঞা, যতীন খনিকৰ, বিনোদলাল দাস, অজয় ভৰালী, আলোক বৰুৱা, জ্যোতিস্মান কাশ্যপ, দীনেশ দাস, বিজন মহাজন, ৰাজদীপ বাইলুং বৰুৱা, কৃষিমন্ত্ৰী অতুল বৰুৱা আদিয়ে। এক হৃদয়স্পৰ্শী কাহিনীৰে ছবিখন নিৰ্মাণ কৰা হৈছে। সংগীতবিহীন ছবিখনৰ আবহ সংগীত অৰ্থপূৰ্ণ হৈছে। ফেঁচা, কাউৰীৰ মাত শুনিলে, ছবি চোৱা যেন নালাগে। পৰিয়ালৰ সকলোৱে মিলি উপভোগ কৰিব পৰা এখন ছবি। সময়ো মাত্ৰ ৯০ মিনিট। ছবিখনৰ কাহিনীয়ে মন তোলপাৰ লগাই থকাৰ সময়তে নৈপৰীয়া আন এক অঞ্চল নদী-দ্বীপ মাজুলীৰ আন এগৰাকী কিশোৰী তেজস্মিতাৰ অকাল মৃত্যুৱে জোকাৰি গ'ল। মাজুলীত যদি এখন চিকিৎসা মহাবিদ্যালয় থাকিলহেঁতেন অথবা পীতাম্বৰ দেৱগোস্বামী চিকিৎসালয়ত উন্নত মানৰ চিকিৎসা সেৱা থাকিলেহেঁতেন, যোৰহাট-মাজুলী সংযোগী দলং এখন থকা হ'লে তেজস্মিতাক অকালতে হেৰুৱাব লগা নহ'লহেঁতেন। একে নৈপৰীয়া অঞ্চলৰ দুগৰাকী কিশোৰীয়ে যাতায়াতৰ সুব্যৱস্থা নথকাত আৰু চিকিৎসালয়ত ডাক্তৰ নথকাত মাতৃক হেৰুৱাইছে।

# M/s BAY LEAF
Hospital Solution & Supply

2nd FLOOR, HARABALA MARKET, GMCH ROAD
BHANGAGARH, OPPOSITE NEMCARE HEART INSTITUTE, GUWAHATI-781005
Email:bayleafhospitalsolution@gmail.com
Contact No: 9707238346, 8638743915, and 7002639739

We Deals --
Flexible Electronic Fibre-less Bronchoscope,Video Laryngoscope (Adult & Neonatal),Laproscopy Equipment Set,Disposable Infusion Pump-Multi Rate & PCA,Sterilizer,Formalin Chamber,Autoclaves,Fogger Machine,Patient Monitor,Ventilator,Defribilator,ABG Machine,ECG Machine,C-Pap & Bi-Pap,Diathermy Machine,Suction Machine,Radiant Warmer,Phototherapy,Infusion/Syringe Pump,Surgical Instruments-Open & Laproscopy,Dressing Drums & Surgical Trays,ICU Bed,Instrument Trolley,Crash Cart,Examination Table,OT Table,Tracheostomy Tube-Normal,with suction,Double

Bay Leaf
Challenge Everything
Happy Diwali



# PET AID SHOP
পেট এইড্

Happy Diwali
PET AID

We deals in -
* Dog Food & Accessories
* Veterinary Medicine
* Dog Sale
* Bird Food
* Aquarium

Experience Doctor Available

Ph.No.: 97065 08700/98648 40128
B.R.Phookan Road, Bharalumukh, Guwahati-09



# M.Das & Sons
M.D.S
Estd.1994

Wishing You a Very Happy Diwali

Assam GST No. -18AGPPD8535J1ZX

A Govt. Approved Electrical Contractor for HT/LT, EHT & Transmission Line Projects.

Office Address - House No. 7
Ganeshpally, Opp. GMC water Tank,
LalGanesh, Guwahati - 781034

E- Mail- mdasandson@hotmail.com
Contact No - 9435551715/9435549618



Wishes you
Happy Diwali
Festival Of Lights

# Lila Ghar
HOME DECOR & FURNISHINGS

We deals in -
* Artificial Flowers & Grass
*Handicrafts & Gifts Iteam
* Home Decoration
* Lights & Lamps

**Come & see what we have for you,

Contact no 99545-53432/70027-60084
Address - Near Bharat Petrol Pump , Bhetapara,

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৫ কাতি ১৪২৭ চন Rongili Barta, Date of Publication--23 October, 2022













ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286